**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ দুদিন বাকী থকা অৱস্থাত ৰাজ্যৰ প্ৰায় আটাইকেইটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বাক্সা জিলাৰ দিহিৰা, হজুৱা আৰু ককলাবাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বি টি চিত সকলো ৰাজনৈতিক দলে শান্তিপূৰ্ণভাৱে নিৰ্বাচনী প্ৰচাৰ চলাই থকাটো এটা ইতিবাচক দিশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে।

**ৰাইট (চি এম)**

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আজি গোৰেশ্বৰ পৰিষদীয় সমষ্টিত দলৰ পৰিষদীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি কচুগাঁও সমষ্টিত ইউ পি পি এল প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

কংগ্ৰেছ দলৰ শীৰ্ষ নেতা তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে আজি বাক্সা জিলাৰ শালবাৰী আৰু ককলাবাৰীত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

চিৰাং জিলাৰ কাজলগাঁৱত আজি ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলে দলীয় প্ৰাৰ্থী হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ইউ পি পি এলৰ ছালাকাটি সমষ্টিৰ প্ৰাৰ্থী লৰেন্স ইছলাৰী আৰু সমষ্টিটোৰ বি পি এফৰ প্ৰাৰ্থী ডেৰহাছাত বসুমতাৰীয়ে আজি প্ৰচাৰ সভাত অংশ লৈ ভোটদাতাৰ মন জয় কৰাৰ চেষ্টা চলায়।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ ২০ ছেপ্তেম্বৰৰ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শান্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতি আৰু সম্পাদক সহ বহুকেইটা গুৰুত্বপূৰ্ণ পদত আজি আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰে। সভাপতি পদত আশীষ ভূষণ গগৈ আৰু সাধাৰণ সম্পাদক হিচাপে মাধুৰ্য্য বৰা নিৰ্বাচিত হৈছে। একেদৰে আছুৰ সমৰ্থিত প্ৰাৰ্থী চন্দীপ বুঢ়াগোহাঁই, লিজা কাশ্যপ,

প্ৰিয়ানুছ কলিতা, কংকনা পেগু, পৰশমণি সোণোৱাল, ৰীয়া দাস আৰু তাৰিক নাৱাজে বিভিন্ন পদত জয়লাভ কৰে। শৰীৰ চৰ্চা পদত ব্ৰুকলীন গগৈ, সহকাৰী সাধাৰণ সম্পাদক টিংকৰ দাস আৰু উপসভাপতি পদত মাধুৰ্য চেতীয়া বিজয়ী হয়। এই নিৰ্বাচনত আছু, এ বি ভি পি, এন এছ ইউ আই, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ লগতে বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ দ্বাৰা সমৰ্থিত প্ৰতিনিধিৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে।

০০০০০

শ্ৰীভূমি জিলাৰ দক্ষিণ কৰিমগঞ্জৰ বিধায়ক ছিদ্দিক আহমেদে আজি বিনোদিনী আৰু বান্দৰকোণা গাঁও পঞ্চায়তত অনুষ্ঠিত দুখন পৃথক সভাত অংশগ্ৰহণ কৰি অৰুণোদয় তৃতীয় পৰ্যায় আৰু এল পি জিৰ সুলভ ইন্ধন যোজনাৰ প্ৰপত্ৰ বিতৰণ কৰে। ইয়াৰ জৰিয়তে অঞ্চলটোৰ দুখীয়া ৰাইজ উপকৃত হ'ব বুলি আশা কৰা হৈছে। সভাত পঞ্চায়তৰ সভাপতি আৰু সদস্যসকলৰ লগতে ভালেসংখ্যক হিতাধিকাৰী উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওপজা দিন উদযাপন সৈতে সংগতি ৰাখি আজি বিজেপিৰ বজালী জিলা সমিতিয়ে এখন চিত্ৰ প্ৰদৰ্শনী মুকলি কৰে। পাঠশালাস্থিত বিজেপিৰ বজালী জিলা সমিতিৰ কাৰ্যালয়ত প্ৰধানমন্ত্ৰীগৰাকীৰ জীৱন আৰু উপলব্ধিৰ ভেটিত আধাৰিত এই চিত্ৰ প্ৰদৰ্শনীখন বিজেপিৰ বজালী জিলা সমিতিৰ সভাপতি পদ্মনাথ শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰে।

০০০০০

অসম আৰু মেঘালয়ৰ টেক্সি চালক সন্থাই যোৰাবাটত কৰা প্ৰতিবাদৰ ফলত আজি বহু সময় ধৰি চুবুৰীয়া ৰাজ্য দুখনৰ পৰ্যটকসকল অসুবিধাৰ সন্মুখীন হয়। মেঘালয়ৰ টেক্সি চালক সন্থাই পূৰ্বে অসমৰ পৰা পৰ্যটক লৈ যোৱা বাহনসমূহ ৰাজ্যখনত প্ৰৱেশত বাধা দিয়াৰ উপৰি মেঘালয় ভ্ৰমণ কৰিবলৈ ৰাজ্যখনৰ বাহনহে ব্যৱহাৰ কৰিব লাগিব বুলি দাবী তুলিছিল। এই কাৰ্যৰ প্ৰতিবাদ হিচাপে আজি অসমৰ টেক্সি চালক সন্থাই মেঘালয়ৰ পৰা যাত্ৰী কঢ়িয়াই অনা ৰাজ্যখনৰ বাহনসমূহ অসমত প্ৰৱেশত বাধা দিয়াক লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। দুয়ো ৰাজ্যৰ আৰক্ষী প্ৰশাসন আৰু পৰিবহণ বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এই সন্দৰ্ভত মেঘালয়ৰ মুখ্য সচিবে বিষয়টো নিষ্পত্তি কৰিবলৈ অসমৰ মুখ্য সচিবৰ পৰা দুদিনৰ সময় বিচাৰিছে বুলি পৰিবহণ আয়ুক্ত গৌতম দাসে প্ৰকাশ কৰে।

০০০০০

সুব্ৰত কাপ জুনিয়ৰ আন্তৰ্জাতিক স্কুল ফুটবলত ক্ৰমাগত জয়ৰে  অসম গ্ৰুপৰ শীৰ্ষত আছে। অসমক প্ৰতিনিধিত্ব কৰা গোলাঘাটৰ নুমলীগড় হাইস্কুলে নিজৰ তৃতীয়খন গ্ৰুপ মেচত নবোদয় বিদ্যালয়ৰ বিৰুদ্ধে ৪-০ গলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেললৈ প্ৰৱেশৰ সম্ভাৱনা সজীৱ কৰিছে। বায়ু সেনাই আয়োজন কৰা তথা নতুন দিল্লীত চলি থকা ১৭ বছৰ অনুৰ্ধ ল'ৰাৰ জুনিয়ৰ আন্তৰ্জাতিক স্কুল ফুটবল প্ৰতিযোগিতাখনত অসমে দ্বিতীয়বাৰলৈ জয়লাভ কৰে। প্ৰতিযোগিতাখনত আজি নুমলীগড় হাইস্কুল দলৰ হৈ আকাশ লোহাৰ আৰু পৱিত্ৰ নাথে দুটাকৈ গ'ল দিয়ে। উল্লেখযোগ্য যে, ২০ ছেপ্তেম্বৰত গ্ৰুপৰ অন্তিম খেলখন অনুষ্ঠিত হ'ব

০০০০০

ঃঃ সমাপ্ত ঃঃ